No. of Printed Pages—3

439 (AU)

[20-HKPGDEO–M2S(O)21J]

MA 2nd Semester (Old) Exam., 2020

ASSAMESE

[MAS (S2) 07]

(অসমীয়া উপন্যাস)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া উপন্যাস-সাহিত্যত ছদ্মনামেৰে বিখ্যাত হোৱা ঔপন্যাসিক আছেনে ? দুগৰাকী ঔপন্যাসিকৰ মূল নাম আৰু ছদ্মনাম উল্লেখ কৰক।

(b) উপন্যাস বুলিলে কি বুজে ? উপন্যাসৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

(c) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসৰ দুটি বৈশিষ্ট্য উল্লেখ কৰক।

(d) 'জীৱনৰ বাটত' উপন্যাসখনৰ প্ৰধান চৰিত্ৰ কোনটো ? চৰিত্ৰটিৰ সবল দিশ এটি উনুকিয়াওক।

(e) 'জীয়া জুৰিৰ ঘাট' উপন্যাসত উল্লেখ থকা কণমাই কোন ? পৰিচয় দিয়ক।

(f) চিত্ৰকল্প কাক বোলে ? 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত চিত্ৰকল্পৰ ব্যৱহাৰ হৈছেনে, উদাহৰণ দিয়ক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) 'বাজপথে বিঙিয়াই' উপন্যাসখনৰ অন্তৰ্গত নাৰীচৰিত্ৰসমূহৰ কাৰ্যাৱলীৰ এটি সংক্ষিপ্ত আভাস দাঙি ধৰক।

(b) 'জীয়া জুবিৰ ঘাট' উপন্যাসত সাহিত্যিক সৌন্দৰ্য প্ৰকাশত ঔপন্যাসিকগৰাকী কিমানদূৰ সফল হৈছে, বিচাৰ কৰক।

(c) মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সৃষ্টিশীল কাৰ্যবাজিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(d) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' নামৰ উপন্যাসখনত পৰিৱেশ চিত্ৰণত লেখকৰ দক্ষতা সম্পৰ্কত দৃষ্টিপাত কৰি টোকা লিখক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) অৰুণোদয় যুগত অসমীয়া উপন্যাস-সাহিত্যৰ ৰূপ কেনে আছিল? তাৰ এটি ৰূপৰেখা অংকন কৰিবলৈ যত্ন কৰক।

(b) স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস-সাহিত্যৰ ইতিহাসত চৈয়দ আব্দুল মালিকৰ স্থান নিৰূপণ কৰি চমুকৈ লিখক।

(c) 'নির্মল ভকত' নামৰ উপন্যাসত ৰজনীকান্ত ৰৱদলৈয়ে নৰ-নাৰীৰ সম্পৰ্ক কিদৰে চিত্ৰিত কৰিছে, লিখক।

(d) 'জীৱনৰ বাটত' উপন্যাসত বিৰিঞ্চি কুমাৰ বৰুৱাই মধ্যবিত্ত শ্ৰেণীটোৰ উচ্চাকাঙ্ক্ষা পূৰণৰ বাবে চলোৱা প্ৰচেষ্টা আৰু তাৰ পৰিণতি কেনেদৰে উপস্থাপন কৰিছে সেই বিষয়ে এক সূক্ষ্ম বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) 'নির্মল ভকত' উপন্যাসখনত ৰৱদলৈয়ে ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰণ ঘটাই এটি মনোজ্ঞ কাহিনীৰ উপস্থাপনত কিদৰে সফলতা লাভ কৰিছে, বিশ্লেষণ কৰক।

(b) 'বাজপথে বিঙিয়াই' উপন্যাসখনত নায়কৰ কণ্ঠৰ পৰা নিৰ্গত বাণীয়ে ঔপন্যাসিকৰ বাজনৈতিক চিন্তাক প্ৰতিফলিত কৰিছে; এই বিষয়ে আপোনাৰ অভিমত ব্যক্ত কৰি বহলাই আলোচনা কৰক।

(Continued)

(c) ''কাহিনী, চবিত্র সৃষ্টি, বচনাশৈলীব সকলো দিশব পবা 'জীৱনব বাটত' এক অমব সৃষ্টি''—এই মন্তব্যব যথার্থতা প্রতিপন্ন হোৱাকৈ ব্যাখ্যা আগবঢ়াওক।

(d) মালিকব 'জীয়া জুবিব ঘাট' উপন্যাসত প্রতিফলিত হোৱা মানৱতাবাদ সম্পর্কত আলেকপাত কবি এটি দীঘলীয়া প্রবন্ধ প্রস্তুত কবক।

(e) আঞ্চলিকতাবাদী উপন্যাস বুলিলে কি বুজে? আঞ্চলিকতাবাদী উপন্যাস হিচাপে 'দঁতাল হাতীব উঁয়ে খোৱা হাওদা' উপন্যাসখন উদ্ধৃতিসহ আলোচনা কবক।

★ ★ ★